তাৰ ওপৰত অভিসম্পাত নকৰিবা। আল্লাহৰ শপত! মই জনামতে সি আল্লাহ আৰু তেওঁৰ ৰাছুলক অত্যন্ত ভালপায়।

ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সময়ত এজন ব্যক্তি আছিল, যাৰ নাম আছিল আব্দুল্লাহ। মানুহে তাক হিমাৰ উপনামেৰে মাতিছিল। সেই ব্যক্তিজনে মাজে মাজে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক হঁহুৱাইছিল। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তাক শ্বাৰাব (সুৰা) সেৱনৰ অপৰাধত শাস্তি বিহিছিল। এদিন তাক নিচাগ্ৰস্ত অৱস্থাত উপস্থিত কৰা হ'ল। ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তাক বেত্ৰাঘাত কৰাৰ নিৰ্দেশ প্ৰদান কৰিলে। ফলত তাক বেত্ৰাঘাত কৰা হ'ল। তেতিয়া উপস্থিত লোকসকলৰ এজনে ক'লেঃ আল্লাহে ইয়াৰ ওপৰত
অভিসম্পাত কৰক, নিচাগ্ৰস্ত অৱস্থাত তাক কিমান বাৰ যে অনা হ'ল। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "তাৰ ওপৰত অভিসম্পাত নকৰিবা। আল্লাহৰ শপত! মই জনামতে সি আল্লাহ আৰু তেওঁৰ ৰাছুলক অত্যন্ত ভালপায়।" [ছহীহ] [(বুখাৰী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগত এজন ব্যক্তি আছিল, যাৰ নাম আছিল আব্দুল্লাহ, তাৰ উপনাম আছিল হিমাৰ। সেই ব্যক্তিজনে মাজে সময়ে এনেকুৱা কথা কৈছিল, যাৰ ফলত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাঁহিছিল। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তাক কেইবাবাৰো মাদক দ্ৰৱ্য সেৱনৰ অপৰাধত শাস্তি বিহিছিল। এদিন তাক নিচাগ্ৰস্ত অৱস্থাত ধৰি অনা হয়। তেখেতে তাৰ ওপৰত হদ জাৰি কৰাৰ নিৰ্দেশ দিয়ে, ফলত তাক বেত্ৰাঘাত কৰা হয়। উপস্থিতসকলৰ এজনে তাক নিন্দা কৰি আৰু ভৰ্ৎসনা কৰি কয়ঃ আল্লাহে তাৰ ওপৰত অভিসম্পাত বৰ্ষণ কৰক, ইয়াক কিমান বাৰ যে এইদৰে নিচাগ্ৰস্ত অৱস্থাত অনা হ'ল। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ আল্লাহৰ ৰহমতৰ পৰা বিতাৰণৰ উদ্দেশ্যে তাৰ ওপৰত এইদৰে বদ্দুআ নকৰিবা। আল্লাহৰ শপত! মই জনামতে এওঁ আল্লাহ আৰু তেওঁৰ ৰাছুলক ভাল পায়।

http://www.sunnah.global/hadeeth/as/show/66214